# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-04-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

*- - - - - - -*

১। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীৰ নলবাৰীত নিৰ্বাচনী সভাত এন ডি এ চৰকাৰে দেশৰ সকলো লোকক সম পৰিমাণে সুবিধা প্ৰদান কৰিছে বুলি মন্তব্য। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ শিলচৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ।

২। প্ৰথম পৰ্যায়ত অসমৰ ৫টা সমষ্টিৰ লগতে দেশৰ ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা লোকসভা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ সামৰণি।

৩। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ধুবুৰীত এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমল আৰু বৰপেটাত কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নৰ মনোনয়ন দাখিল।

৪। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণৰ বাবে সংশ্লিষ্ট কেন্দ্ৰসমূহলৈ বিষয়া-কৰ্মীসকল কাইলৈ ই ভি এম সহ ৰাওনা।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে আজি নলবাৰীত আয়োজিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে সকলো স্তৰৰ জনসাধাৰণৰ উন্নয়নৰ লক্ষ্যৰে আঁচনি গ্ৰহণ কৰিছে আৰু চৰকাৰখনে সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে আঁচনিসমূহৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰি আহিছে। এন ডি এ চৰকাৰে কোনোধৰণৰ বৈষম্য সৃষ্টি নকৰাকৈ দৰিদ্ৰ লোকসকলৰ বাবে তিনি কোটি গৃহ নিৰ্মাণ কৰিছে আৰু পুনৰ এন ডি এ শাসনলৈ আহিলে পৰৱৰ্তী ৫ টা বছৰত দৰিদ্ৰ আৰু বঞ্চিতসকলক অবিৰতভাৱে খাদ্য সামগ্ৰী যোগান ধৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে বিজেপিৰ সংকল্প পত্ৰত ৭০ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলক আয়ুস্মান ভাৰত যোজনাৰে সামৰি লোৱা হ'ব বুলি ঘোষণা কৰা হৈছে। ইয়াৰ ফলত তেওঁলোকে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া স্বাস্থ্য বীমা লাভ কৰিব। শ্ৰী মোদীয়ে কংগ্ৰেছ দলে নিজৰ শাসনকালত অসমৰ লগতে উত্তৰ-পূবৰ উন্নয়নত গুৰুত্ব আৰোপ কৰা নাছিল বুলি অভিযোগ তোলে। বিগত ১০ বছৰত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ দ্ৰুতগতিৰে বিকাশৰ পথত অগ্ৰসৰ হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

-বাইট-

তেওঁ লগতে কয় যে অসম জৈৱ বৈচিত্ৰ্যৰ দিশৰ পৰা অতিকৈ চহকী আৰু ৰাজ্যখনৰ এই সমৃদ্ধ ক্ষেত্ৰসমূহৰ বিষয়ে বিশ্ববাসীক অৱগত কৰাবলৈ তেওঁৰ চৰকাৰ বদ্ধপৰিকৰ। এন ডি এ চৰকাৰে নিজৰ শাসনকালত গ্ৰহণ কৰা কেইবাটাও ইতিবাচক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে তিনি তালাক ব্যৱস্থাৰ অৱসানৰ দ্বাৰা দলটোৱে মুছলমান মহিলাসকলক সকাহ দিছে। তদুপৰি কৃষি সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰি কৃষকক সকাহ দিয়াৰ লগতে ৩ কোটি মহিলাক লাখপতি বাইদেউৰ মৰ্যাদা দিয়াৰ প্ৰতিশ্ৰুতি দিছে বুলিও তেওঁ কয়। উল্লেখযোগ্য যে

প্ৰধানমন্ত্ৰীয়ে আজি বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত নলবাৰী সমষ্টিৰ এন ডি এ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত প্ৰচাৰ চলায়। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ উপৰি শীৰ্ষ দলীয় নেতাসকল উপস্থিত থাকে।

০০০০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্তিম দিনা আজি ৰাজ্যখনৰ নিৰ্বাচন হ'বলগীয়া ৫টা সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰচাৰ তুংগত উঠা পৰিলক্ষিত হয়। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ দলৰ নেত্ৰী মমতা বেনাৰ্জীয়ে আজি শিলচৰ সমষ্টিৰ দলীয় প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত নেত্ৰীগৰাকীয়ে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ বিজেপিক গণতান্ত্ৰিক প্ৰমূল্যৰ পৰিপন্থী বুলিও সমালোচনা কৰে।

বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন গগৈৰ হৈ শিৱসাগৰত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে দলীয় প্ৰাৰ্থীগৰাকীক জয়ী কৰিবলৈ আহ্বান জনাই কয় যে, বিজেপি চৰকাৰে দেশত তোষামোদৰ ৰাজনীতি কৰাৰ পৰিৱৰ্তে উন্নয়নৰ ৰাজনীতিহে বিশ্বাস ৰাখি আহিছে। দলটোৰ শাসনকালত সংখ্যালঘু লোকসকলৰ সম উন্নয়ন হৈছে বুলিও তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে। অনুষ্ঠানত মন্ত্ৰী পীযূষ হাজৰিকা, ডা০ ৰণোজ পেগু, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক সুশান্ত বৰগোহাঁইৰ লগতে দলৰ ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ৰাইজলৈ ভোটদানৰ আহ্বান জনায়।

ডিব্ৰুগড় সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলায়। ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত খোৱাং আৰু ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত শ্ৰীসোণোৱালে প্ৰচাৰ চলায়।

ইপিনে খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ ১৮খনকৈ গাঁও পঞ্চায়তত ই-ৰিক্সাৰে নিৰ্বাচনী প্ৰচাৰ চলায়।

প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ অন্তিমটো দিনা যোৰহাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে মাজুলীৰ লগতে সমষ্টিটোৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। শ্ৰীগগৈয়ে মাজুলীৰ কমলাবাৰীঘাটৰ পৰা বাইক ৰেলী আৰু কমলাবাৰী চাৰিআলিত পদযাত্ৰাৰে প্ৰচাৰ চলায়।

আম আদমী পাৰ্টীৰ ৰাজ্যিক সভাপতি ডা০ ভবেন চৌধুৰীয়ে আজি দলৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত ডিব্ৰুগড় আৰু শোণিতপুৰ সমষ্টিত দলীয় প্ৰাৰ্থীক জয় কৰাবলৈ আহ্বান জনায়।

কাইলৈ কোকৰাঝাৰত বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডা নিৰ্বাচনী প্ৰচাৰ বাবে অহাৰ কথা। কোকৰাঝাৰত শ্ৰীনাড্ডাই বিজেপি-ইউ পি পি এলৰ প্ৰাৰ্থী আৰু ধুবুৰীৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব।

ইপিনে কোকৰাঝাৰত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অসমৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে নিৰ্বাচনী বাইক ৰেলীত অংশগ্ৰহণ কৰে। শ্ৰীসিঙে কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী গৰ্জন মুছাহাৰীৰ জয় নিশ্চিত বুলি উল্লেখ কৰে।

০০০০০০০০০০

পৰহিলৈ প্ৰথম পৰ্যায়ত দেশৰ ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা লোকসভা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। ইয়াৰ লগতে অৰুণাচল প্ৰদেশ আৰু ছিকিম

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰো আজি সামৰণি পৰে। অসমৰ ৫ খন লোকসভা আসনতো পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই ৫খন আসনত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। আটাইকেইখন আসনতে ভাৰতীয় জনতা পাৰ্টী আৰু বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ মাজত প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। এই দুই মিত্ৰজোঁটৰ লগতে আম আদমী পাৰ্টীয়ে দুখন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক ৰঞ্জিত দত্তই বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে, কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ, প্ৰাক্তন বিধায়ক ৰ'জলীনা তিৰ্কী, উদয় শংকৰ হাজৰিকা, অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। প্ৰথম পৰ্যায়ত বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই নিজ দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছিল। বিজেপিৰ হৈ গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ লগতে কেইবাগৰাকীও মন্ত্ৰী-বিধায়কে প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন কুমাৰ বৰা, জ্যেষ্ঠ নেতা প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশে অসমত প্ৰচাৰ চলায়। আম আদমী পাৰ্টীৰ হৈ পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, দিল্লীৰ মন্ত্ৰী আতিশীয়ে প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

oooooooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে। নিৰ্বাচন আয়োগৰ নীতি অনুসৰি আজি বিয়লি ৫ বজাৰ পাছত ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলাব নোৱাৰিব । প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ক্ষেত্ৰত আজি ১৭ এপ্ৰিলৰ সন্ধিয়াৰ পৰা প্ৰচাৰ কৰিব নোৱাৰিব প্ৰাক নিৰ্বাচনী সমীক্ষা, নিৰ্বাচনী সমীক্ষা, জ্যোতিষীৰ ভৱিষদ্বাণী প্ৰচাৰ কৰিব নোৱাৰিব। জনপ্ৰতিনিধি আইন ১৯৫১ৰ ধাৰা ১২৬ অনুসৰি আগন্তুক লোকসভা নিৰ্বাচনৰ প্ৰতিটো পৰ্যায়ৰে ভোটগ্ৰহণ সমাপ্ত হোৱাৰ ৪৮ ঘণ্টাৰ আগত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ বন্ধ কৰিব লাগিব। আজি সন্ধিয়া ৫ বজাৰ পাছৰ পৰা কোনো লোকে নিৰ্বাচনী প্ৰচাৰ সভা, শোভাযাত্ৰা আদি কৰিব নোৱাৰিব। কোনো জনসমাগমত ৰাজনৈতিক দল, প্ৰাৰ্থী সমৰ্থকে নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। টিভি, চিনেমাট'গ্ৰাফী বা অন্য তেনে কোনো নিৰ্বাচনী প্ৰচাৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই সময়ছোৱাত কোনো ধৰণৰ সাংস্কৃতিক অনুষ্ঠান, নাট্য অনুষ্ঠান বা যিকোনো মনোৰঞ্জনধৰ্মী অনুষ্ঠিত কৰি নিৰ্বাচনীয় সম্পৰ্কীয় প্ৰচাৰেৰে জনসাধাৰণক প্ৰভাৱিত কৰিব নোৱাৰিব। এই সময়ছোৱাত ছপা, বৈদ্যুতিন তথা সামাজিক মাধ্যমত কোনো ধৰণৰ প্ৰচাৰ চলাব নোৱাৰিব। ভোটদানৰ ক্ষেত্ৰত ভোটাৰ সকলৰ স্ব-সিদ্ধান্তেৰে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ বাবে এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী কাৰ্যালয়ৰ পৰা এই নিৰ্দেশনা জাৰি কৰা হৈছে।

oooooooooo

ৰাজ্যৰ তৃতীয় পৰ্যায়ত হ'বলগীয়া ৪টা লোকসভা সমষ্টিৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল প্ৰক্ৰিয়াই ক্ৰমাৎ গতি লাভ কৰিছে। আজি বৰপেটা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নে মনোনয়ন দাখিল কৰে। বৰপেটা বিদ্যাপীঠ খেলপথাৰৰ পৰা শোভাযাত্ৰা কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অসমৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং, নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ নেতাৰ উপস্থিতিত শ্ৰীবায়নে মনোনয়ন দাখিল কৰে। ধুবুৰী লোকসভা সমষ্টিত আজি এ আই ইউ ডি এফ দলৰ মুৰব্বী তথা সাংসদ বদৰুদ্দিন আজমলে চতুৰ্থবাৰৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। ধুবুৰীৰ ঝগৰাৰপাৰ ষ্টেডিয়ামৰ পৰা শোভাযাত্ৰা কৰি বিধায়ক নুৰুল হক, নিজানুৰ ৰহমান, বিধায়ক তথা নগাওঁ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী আমিনুল ইছলাম, বিধায়ক হাফিজ বছিৰ আহমেদ কাছিমীৰ লগতে ভালেসংখ্যক নেতা-কৰ্মীৰ উপস্থিত ধুবুৰী আয়ুক্ত কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। উল্লেখযোগ্য অহা

১৯ এপ্ৰিলত তৃতীয় পৰ্যায়ৰ মনোনয়ন দাখিলৰ অন্তিম দিন। আনহাতে মনোনয়ন প্ৰত্যাহাৰৰ দিন অহা ২২ এপ্ৰিল। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ৭ মে'ত অনুষ্ঠিত হ'ব।

oooooooooo

প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত অৰ্থাৎ পৰহিলৈ ৰাজ্যৰ ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এই পৰ্যায়ত ৰাজ্যখনৰ ডিব্ৰুগড়, যোৰহাট, লখিমপুৰ, শোণিতপুৰ আৰু কাজিৰঙা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। বিশেষকৈ দিব্যাংগ ভোটদাতাৰ বাবে ৰেম্প, প্ৰসূতি মাতৃসকলৰ বাবে শিশুক দুগ্ধপান কক্ষৰ ব্যৱস্থা, খোৱাপানী, শৌচাগাৰ, বিদ্যুৎ যোগানকে ধৰি সকলো ব্যৱস্থা লোৱা হৈছে। কাইলৈ প্ৰতিটো ভোটকেন্দ্ৰৰ বাবে নিয়োজিত বিষয়া-কৰ্মীসকল নিজ নিজ কেন্দ্ৰলৈ ই ভি এম সহ ৰাওনা হ'ব। অসম আৰক্ষীৰ সূত্ৰই জনোৱা মতে জটিল ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হ'ব আৰু কমেও ৫০ শতাংশ ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া ১৪ খন জিলাত নিৰাপত্তা বাহিনীৰ ১০৬ টা কোম্পানী ইতিমধ্যে নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত দেশৰ ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিসমূহৰ ভিতৰত আছে তামিলনাডুৰ ৩৯টা, ৰাজস্থানৰ ১২টা, উত্তৰপ্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ৬টা, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ ৫টাকৈ, বিহাৰৰ ৪টা, পশ্চিমবংগৰ ৩টা, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু মেঘালয়ৰ দুটাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছট্টিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ সমষ্টি।

oooooooooo

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এইটো পৰ্যায়ত দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। চতুৰ্থ পৰ্যায়ত অন্ধ্ৰপ্ৰদেশৰ ২৫টা আৰু তেলেংগানাৰ ১৭ টা লোকসভা সমষ্টিৰ আটাইকেইটাৰ লগতে উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ঝাৰখণ্ড আৰু উৰিষ্যাৰ ৪টাকৈ আৰু জম্মু আৰু কাশ্মীৰৰ ১টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ১৩ মে'ত ভোটগ্ৰহণ হ'বলগীয়া এইটো পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হ'ল অহা ২৫ এপ্ৰিল।

আনহাতে, এটা পৰ্যায়তে সম্পন্ন হ'বলগীয়া অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ লগতে ওড়িশাৰ প্ৰথম পৰ্যায়ৰ বিধানসভাৰ নিৰ্বাচনৰ বাবেও কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

oooooooooo

লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি বিয়লি ৫ বজাৰ পৰা ১৯ এপ্ৰিললৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। ১৯ এপ্ৰিলত হ'বলগীয়া মিজোৰামৰ লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ ৰাজ্যপালৰ নিৰ্দেশমৰ্মে আজি বিয়লি ৪ বজাৰ বৰা কৰিমগঞ্জ জিলাত ১৯ এপ্ৰিললৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ আৰু

অসম আবকাৰী আইন অনুসৰি মিজোৰামৰ সীমান্তৱৰ্তী অসমৰ অঞ্চলসমূহত নিচাজাতীয় দ্ৰব্যৰ পৰিবহণত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইপিনে লখিমপুৰ জিলা প্ৰশাসনেও আজি বিয়লি ৫ বজাৰ পৰা ১৯ এপ্ৰিললৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। চৰাইদেউ জিলাতো আজি বিয়লি ৫ বজাৰ পৰা ১৯ এপ্ৰিললৈ বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰি এনে সামগ্ৰীৰ মজুতকৰণ বা বিক্ৰী এই সময়ছোৱাত নিষিদ্ধ কৰা হৈছে। ডিমা হাছাও জিলাতো প্ৰশাসনে অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিছে। চুবুৰীয়া ৰাজ্য মেঘালয় আৰু নাগালেণ্ডত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰশাসনে এই নিৰ্দেশনা জাৰি কৰিছে। ইপিনে কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ অন্তৰ্ভুক্ত জিলাকেইখনত আজি বিয়লি ৫ বজাৰ পৰা ভোটদানৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সুৰাজাতীয় সামগ্ৰী বিক্ৰী কৰা পাইকাৰী আৰু খুছুৰা বিপনী তথা দেশীয় সুৰাৰ দোকানসমূহ বন্ধ থাকিব। এই আদেশ উলংঘাকাৰীৰ বিৰুদ্ধে অসম আৱকাৰী আইনৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আইন শৃংখলাজনিত কাৰণত শোণিতপুৰ জিলাত প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰিছে। লোকসভা নিৰ্বাচন পৰিপ্ৰেক্ষিতত যোৰহাটতো প্ৰশাসনে অনুৰূপ পদক্ষেপ গ্ৰহণ কৰিছে।

oooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooooo

আকাশবাণীৰ চলন্তিকা অনুষ্ঠানত আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত লোকসভা নিৰ্বাচনৰ নিৰাপত্তাৰ দিশ সন্দৰ্ভত অসম ৰাজ্যিক নডেল বিষয়া প্ৰশান্ত কুমাৰ ভূঞাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ শুনিব পাৰিব।

oooooooooo

সমাপ্ত